OFFICE OF THE DISTRICT LEGAL SERVICES AUTHORITY, KAMRUP (M) District & Sessions Judge's Court Campus, Panbazar, Guwahati – 1

Email id: dlsakamrupm@gmail.com Ph No. -0361-2730328

# কামৰূপ (মহানগৰ) জিলাত ৰাষ্ট্ৰীয় লোক আদালত ১০ জুলাই, ২০২১ ইং

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশ মতে অসমৰ অন্যান্য জিলাৰ লগতে কামৰূপ (মহানগৰ) জিলা আইন সেৱা প্ৰধিকাৰীৰ উদ্যোগত অহা ১০ জুলাই, ২০২১ ইং তাৰিখে কামৰূপ (মহানগৰ) জিলা ন্যায়িক আদালতত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। উক্ত লোক আদালতত নিম্ন লিখিত গোচৰ/মামলা নিষ্পত্তিৰ পদক্ষেপ লোৱা হ'ব।

১. মিমাংশা হ'ব পৰা ফৌজদাৰী গোচৰ।

২. মটৰ- দুৰ্ঘটনাৰ ক্ষতিপূৰণ সমন্ধীয় গোচৰ (MAC)।

৩. দেৱানী গোচৰ।

৪. বিভিন্ন বেংকৰ ঋণ আদায় সম্বন্ধীয় গোচৰ।

৫. বিজুলী বিল আদায় সম্বন্ধীয় গোচৰ।

৬. BSNL ফোনৰ বিল আদায় সম্বন্ধীয় গোচৰ।

বৰ্তমান কোভিড-১৯ পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰাখি এইবাৰৰ লোক আদালতত প্ৰচলিত পদ্ধতিৰ বাহিৰেও অনলাইন যোগাযোগ মাধ্যম ব্যৱহাৰ কৰি গোচৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তাৰ উপৰিও এইবাৰৰ লোক আদালতত 'Pre-Lok Adalat Concilliation' নামৰ বিশেষ পদক্ষেপ লোৱা হৈছে, যাৰ অধীনত লোক আদালতৰ নিৰ্দিষ্ট তাৰিখৰ আগতে এটা তাৰিখ ধাৰ্য্য কৰি মধ্যস্ততাকাৰী বিষয়াই দুই পক্ষৰ লগত যোগাযোগ কৰি মীমাংসাৰ চেষ্টা কৰাব। সকলো কাৰ্য্যক্ৰম কোভিড-১৯ সংক্ৰান্তে চৰকাৰৰ দিয়া বিধি নিৰ্দেশ মানি সম্পাদন হ'ব। সেয়ে কামৰূপ (মহানগৰ) জিলা আইন সেৱা প্ৰাধিকাৰীৰ পৰা সকলো ৰাইজক আহ্বান জনোৱা হয় যে যদি আপোনালোকে ইতিমধ্যে অহা লোক আদালতৰ চমন/ নোটিচ পাইছে, তেন্তে অহা ১০ জুলাই, ২০২১ ইং তাৰিখৰ লোক আদালতত সুশৰীৰে অথবা অনলাইন মাধ্যমত অংশ গ্ৰহণ কৰি নিজৰ গোচৰ সোনকালে আৰু বিনামূলীয়াভাবে নিষ্পত্তিৰ সুযোগ লওঁক। অনলাইন যোগে অংশ গ্ৰহণ কৰিবলৈ আগতীয়াকৈ জিলা আইন সেৱা প্ৰাধিকাৰীৰ হেল্পলাইন নম্বৰত অথবা ই-মেইল যোগে যোগাযোগ কৰক।

**যোগাযোগৰ ঠিকনা**

জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্য্যালয়, কামৰূপ (মহানগৰ)

প্ৰথম মহলা, জিলা ও সত্ৰ ন্যায়াধীশৰ আদালত, কামৰূপ (মহানগৰ)

ফোন: ৬৯০১২৮১৬৩৫

ই-মেইল: dlsakamrupm@gmail.com